## Life of Nazik al-Malaika

**জন্ম আৰু বংশ :**

মুক্ত-ছন্দ কবিতাৰ দিক নিৰ্দেশক ইৰাকি কবি নাজিক আল- মালায়িকা ১৯২৩ খ্ৰীষ্টাব্দত এটি সম্ভ্ৰান্ত পৰিয়ালত জন্ম গ্ৰহণ কৰিছিল। তেখেতৰ পিতৃ সাদিক জাফৰ এজন শিক্ষক আৰু মাক ছালমা এজনী কবি আছিল।

**শিক্ষা:**

কবি মালায়িকা সাহিত্যিক পৰিৱেশৰ মাজেদি ডাঙৰ দীঘল হৈছিল।১৯৩৯ চনত উচ্চ মাধ্যমিক শিক্ষা সমাপ্ত কৰি তেখেতে دار المعلمين العالية শিক্ষা প্ৰতিষ্ঠানত আৰবী বিভাগত অনাৰ্চ লৈ ভৰ্ত্তি হয় আৰু ১৯৪৪ চনত কৃতিত্বৰে উত্তীৰ্ন হৈছিল।

সৰুৰে পৰা তেখেতে সংগীতৰ প্ৰতি আকৰ্ষিত আছিল। তেখেতে Fine Arts Institute ( معهد الفنون الجميلة) ত সংগীত বিভাগত ভৰ্ত্তি হয় আৰু ১৯৪৯ চনত উত্তীৰ্ণ হয়। আমেৰিকাৰ New Jersey ত থকা Princeton University ৰ পৰা লেটিন ভাষা অধ্যায়ন কৰিছিল। ইয়াৰ উপৰিও তেখেতে আমেৰিকাৰ University of Wisconsin পৰা ১৯৫৯ চনত Comparative Literature ত এম,এ ডিগ্ৰী লাভ কৰিছিল।

**কৰ্মজীৱন:**

দেশলৈ উভতি আহি তেখেতে প্ৰথমে বাগদাদ বিশ্ববিদ্যালয়ত সহযোগী অধ্যাপিকা, ইয়াৰ পিছত বছৰা বিশ্ববিদ্যালয়ত অধ্যাপিকা হিচাপে যোগদান কৰে।

**মৃত্যু:**

২০০৭ চনত এক দুৰাৰোগ্য বেমাৰত আক্ৰান্ত হৈ তেখেতে ৮৪ বছৰ বয়সত শেষ নিশ্বাস ত্যাগ কৰে।

**ৰচনাৱলী:**

১) ৰাতিৰ প্ৰেমিকা ( عاشقة الليل )
২) চূৰ্ণ আৰু ভষ্ম ( شظايا و رماد )
৩) তৰঙ্গৰ গভীৰতা ( قرارة الموجة )
৪) জোনবাঈৰ গছ ( شجرة القمر )
৫) জীৱনৰ ট্ৰেজেডি আৰু মানুহৰ গান (ماساة الحياة و اغنية للانسان )
৬) সাগৰে ইয়াৰ ৰং সলাইছে (يغير الوانه البحر )
৭) প্ৰাৰ্থনা আৰু বিপ্লৱৰ বাবে ( للصلاة و الثورة )
৮) সমসাময়িক কবিতাৰ ঘটনাৱলী ( قضايا الشعر المعاصر)

* * * * * * * * *